# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-07-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

\- - - - - - - - - - - - - - - - - - - - - -

ৰাজ্যৰ বিভিন্ন ঠাইত আজি ষ্টপ ডায়েৰিয়া ৰাজ্যিক অভিযানৰ অন্তৰ্গত জিলা ভিত্তিক ডায়েৰিয়া প্ৰতিৰোধ সজাগতা কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে গুৱাহাটীৰ খানাপাৰা ৰাজ্যিক চিকিৎসালয়ত আয়োজিত অনুষ্ঠানত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ সঞ্চালিকা এম এছ লক্ষ্মীপ্ৰিয়াকে ধৰি অন্যান্য বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। শিশুসকলক ডায়েৰিয়াৰ পৰা ৰক্ষা কৰাই হৈছে এই অভিযানৰ মূল লক্ষ্য। এই অভিযানৰ সময়ছোৱাত আশাকৰ্মী আৰু অংগনবাড়ী কৰ্মীসকলে গাঁৱে গাঁৱে গৈ ঘৰে ঘৰে অ আৰ এছ, জিংক টেবলেট ইত্যাদিৰ সেৱনৰ প্ৰয়োজনীতা সম্পৰ্কত অৱগত কৰিব।

ডায়েৰিয়া বিৰোধী এই অভিযানৰ অধীনত চিৰাং জিলাৰ বামুণগাঁও আয়ুষ্মান আৰোগ্য মন্দিৰতো আজি দুমহীয়া বিশেষ সজাগতা কাৰ্যসূচী আৰম্ভ কৰা হয়। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ চিৰাং জিলাৰ স্বাস্থ্য সেৱা সমিতিৰ উদ্যোগত আৰু চিদলী উন্নয়ন খণ্ড প্ৰাথমিক চিকিৎসা কেন্দ্ৰৰ অধীনত আৰম্ভ হোৱা এই সজাগতা অনুষ্ঠানত মহকুমা স্বাস্থ্য আৰু চিকিৎসা বিষয়াগৰাকী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। বিষয়াগৰাকীয়ে ৫ বছৰ বয়সৰ তলৰ শিশুসকল এই ৰোগত আক্ৰান্ত হোৱাৰ কাৰণ আৰু লক্ষণ সম্পৰ্কে বিশদভাৱে আলোচনা কৰাৰ লগতে আক্ৰান্ত শিশুসকলৰ চিকিৎসা পদ্ধতি সম্পৰ্কেও অৱগত কৰে।

একেদৰে বাক্সা জিলাতো জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত ডায়েৰিয়া নিৰ্মূলকৰণ সপ্তাহ উপলক্ষে এখন সজাগতা সভা অনুষ্ঠিত হয়। ১ নম্বৰ কাটলি গাঁও অংগনবাড়ী কেন্দ্ৰৰ চৌহদত অনুষ্ঠিত সভাখনত জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক তথা সংবাদ বিশেষজ্ঞ আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বিষয়ববীয়াকে দৰি ভালেকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। হাইলাকান্দি জিলাতো জিলা আয়ুক্তই এছ কে ৰয় জিলা অসামৰিক চিকিৎসালয়ত ডায়েৰিয়া নিৰ্মূল অভিযানৰ শুভাৰম্ভ কৰে। এই উপলক্ষে ৫ বছৰ তলৰ সকলো শিশুক ডায়েৰিয়া ৰোগৰ পৰা ৰক্ষা কৰিবলৈ আশাকৰ্মীসকলক বিশেষ দায়িত্ব প্ৰদান কৰা হয়।

০০০০০

উত্তৰ প্ৰদেশৰ গোণ্ডাৰ সমীপত দুৰ্ঘটনাগ্ৰস্ত চণ্ডীগড়-ডিব্ৰুগড় এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ তিনিচুকীয়া জিলাৰ যাত্ৰীসকল আজি জিলাখনত আহি উপস্থিত হয়। তিনিচুকীয়া জিলা প্ৰশাসনে যাত্ৰীসকলক সকলো ধৰণৰ সহায়ৰ হাত আগবঢ়ায়। উল্লেখযোগ্য যে যোৱা ১৮ জুলাইত ৰেল'গাড়ীখনৰ ২১টা দবা বাগৰি পৰাত ৪জন যাত্ৰীৰ প্ৰাণহানি হোৱাৰ লগতে আন ৩০ জন আহত হৈছিল। ৰে'লখনত থকা তিনিচুকীয়া জিলাৰ ২৯ গৰাকী যাত্ৰীৰ ৪ গৰাকীৰ সামান্য পৰিমাণে আঘাতপ্ৰাপ্ত হৈছিল। আজি যাত্ৰীসকল তিনিচুকীয়া ৰে'ল ষ্টেচনত আহি উপস্থিত হোৱাৰ পাছত জিলা আয়ুক্ত স্বপ্নীল পালৰ নিৰ্দেশত কাৰ্যবাহী দণ্ডাধীশে তেওঁলোকৰ স্বাস্থ্যৰ বুজ লয়।

০০০০০

চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে কাইলৈ এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সুচাৰুৰূপে আগবঢ়াই নিয়াৰ বাবে সকলো ধৰণৰ সহযোগিতা কামনা কৰিব। বাজেট অধিবেশন ২২ জুলাইৰ পৰা ১২ আগষ্টলৈ অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় বাজেট ২৩ জুলাইত সদনত দাখিল কৰা হ'ব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা মাহত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি এইবাৰৰ বাজেট চৰকাৰৰ সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ নথি হ'ব বুলি প্ৰকাশ কৰিছিল।

০০০০০

বাংলাদেশত চলি থকা হিংসাত্মক প্ৰতিবাদ কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিতত প্ৰায় এহেজাৰ ভাৰতীয় ছাত্ৰ-ছাত্ৰী দেশলৈ উভতি আহিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে দিয়া তথ্য অনুযায়ী দেশখনৰ বিভিন্ন বন্দৰেৰে ৭৭৮ গৰাকী ছাত্ৰ-ছাত্ৰী ইতিমধ্যে দেশলৈ ঘূৰি আহিছে। ইয়াৰ উপৰি ঢাকা আৰু চট্টগং বিমান বন্দৰৰ নিয়মীয়া বিমান সেৱাৰে প্ৰায় ২০০ গৰাকী ছাত্ৰ-ছাত্ৰী ঘৰলৈ উভতি আহিছে। মন্ত্ৰালয়ে জনোৱা অনুযায়ী ঢাকাত থকা ভাৰতীয় উচ্চায়ুক্তৰ লগতে চট্টগং, ৰাজশ্বাহী, চিলেট আৰু খুলনাত থকা সহকাৰী উচ্চায়ুক্তই ভাৰতীয় নাগৰিকসকলক দেশলৈ ঘূৰি অহাত সহায় কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে দিয়া বিবৃতি অনুযায়ী স্থানীয় কৰ্তৃপক্ষৰ সহযোগত উচ্চায়ুক্ত আৰু সহকাৰী উচ্চায়ুক্তসকলে ভাৰত-বাংলাদেশৰ সীমান্ত পাৰ কৰি ভাৰতীয় নাগৰিক সকলৰ নিৰাপদ যাত্ৰা সুনিশ্চিত কৰিছে। ইয়াৰ বাবে মন্ত্ৰালয়ে সামৰিক বিমান পৰিবহণ, স্থল বন্দৰ আৰু সীমা সুৰক্ষা বাহিনীৰ কৰ্তৃপক্ষৰ সহযোগিতাত পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০

শাওন মেলা উপলক্ষে কামৰূপ মহানগৰ জিলা প্ৰশাসনে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। ভক্তৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি মহানগৰ আৰক্ষীয়ে বশিষ্ঠ আৰু শুক্ৰেশ্বৰ দেৱালয়ৰ কৰ্তৃপক্ষক বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। ইয়াৰ লগতে এ পি ডি চি এলক মন্দিৰৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত ষ্ট্ৰীটলাইটৰ উপযুক্ত ব্যৱহাৰ আৰু পাৰ্কিঙৰ যথাযথ ব্যৱস্থাৰ প্ৰতি গুৰুত্ব দিবলৈ জিলা প্ৰশাসনে আহ্বান জনাইছে। পামহিৰ ভীমশংকৰ মন্দিৰতো ভক্তসকলৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণত গুৰুত্ব আৰোপ কৰা হৈছে। যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকে শাওন মেলা উপলক্ষে দিছপুৰ সচিবালয়, কমাৰ্চ কলেজ আৰু এছ্ বি দেওৱা কলেজক স্বাস্থ্য শিবিৰৰ আয়োজন কৰিছে।

০০০০০

শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ এখন খেলত আজি থাইলেণ্ডে মালয়েছিয়াক ২২ ৰানত পৰাস্ত কৰে। টছত জিকি থাইলেণ্ডে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৩৩ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত মালয়েছিয়াই ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১১১ ৰানহে কৰিবলৈ সমৰ্থ হয়।

আনহাতে আজি সন্ধিয়া সাত বজাত হ'বলগীয়া আন এখন খেলত শ্ৰীলংকা আৰু বাংলাদেশ মুখামুখি হ'ব।

০০০০০

সমাপ্ত